# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 17-NOV-2025
**Time :** 1715 HRS

# *Assamese Evening Bulletin*

**-------------------**

ooooo

জনতাৰ শিল্পী জুবিন গাৰ্গৰ অবৰ্তমানত কাইলৈ শিল্পীগৰাকীৰ অনুৰাগীসকলে তেওঁৰ ওপজা দিন উদযাপন কৰিবলৈ লৈছে। কাইলৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গুৱাহাটীৰ সৰুসজাই আৰু সোণাপুৰৰ জুবিন ক্ষেত্ৰত এই উপলক্ষে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। ৰাজ্যৰ ৫৩ টা স্থানত ৰক্তদান শিবিৰ অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ইতিপূৰ্বে প্ৰকাশ কৰিছে। ৰাজ্যিক বিজেপিয়ে কাইলৈ ৰাজ্যৰ ৫৩টা স্থানত ৰক্তদান আৰু তেজৰ গ্ৰুপ চিনাক্ত কৰাৰ বাবে জীৱন সুৰভি নামেৰে শিবিৰৰ আয়োজন কৰিছে। দলৰ ৰাজ্যিক সভাপতি তথা সাংসদ দিলীপ শইকীয়াই কাইলৈ পুৱা ৯ বজাত শিবিৰ মুকলি কৰিব। বিয়লি ২ বজাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই খানাপাৰা খেলপথাৰত আয়োজিত শিবিৰত ৰক্তদান কৰিব বুলি জানিব পৰা গৈছে।

বিটিআৰ প্ৰশাসনে প্ৰিয় শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে বিস্তৃত কাৰ্যসূচী গ্ৰহণ কৰিছে। এই উপলক্ষে কোকৰাঝাৰ জিলাৰ গৌৰাং নৈৰ পাৰৰ চান্দামাৰীত ৩০ বিঘা ভূমি সামৰি নিৰ্মাণ হ'বলগীয়া জুবিন গাৰ্গ উদ্যানৰ আধাৰশিলা কাইলৈ বিটিআৰৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে স্থাপন কৰিব। ইয়াৰ লগতে গৌৰাং নৈৰ পাৰত বিটিআৰৰ পাঁচখন জিলাৰ প্ৰায় ২৫ হাজাৰ শিল্পী আৰু অনুৰাগীয়ে অসমীয়া আৰু বড়ো ভাষাত মায়াবিনী গীতটি পৰিৱেশন কৰিব। ইয়াৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে।

**বাইট**

কাইলৈ প্ৰিয় শিল্পীগৰাকীৰ কায়িক বিচ্ছেদৰ যন্ত্ৰনা নেওচি ৰাজ্যজুৰি জনসাধাৰণে শিল্পীগৰাকীৰ গীতেৰে তেওঁলৈ শ্ৰদ্ধাঞ্জলি দিব।

গুৱাহাটী মহাবিদ্যালয়ত কাইলৈ মহাবিদ্যালয়খনৰ শিক্ষক গোটৰ উদ্যোগত আৰু ছাত্ৰ একতা সভাৰ সহযোগত জুবিন গাৰ্গৰ জন্মদিন উপলক্ষে বিয়লি ৩ বজাৰ পৰা প্ৰীতিৰ সুবাসে শীৰ্ষক এটা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত আৰু কটনীয়ানৰ সহযোগত আজিৰে পৰা শিল্পীগৰাকীৰ ওপজা দিন জুবিন সপ্তাহ হিচাপে পালন কৰা হৈছে। আজি বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা কাৰ্যসূচীত অভিনেতা যতীন বৰা আৰু সাঁতোৰবিদ এলভিছ্ আলী হাজৰিকা উপস্থিত থাকে। সদৌ অসম ছাত্ৰ সন্থাইও কাইলৈৰ পৰা তিনিদিনীয়াকৈ জুবিন গাৰ্গৰ ওপজা দিন পালন কৰিব। আজি সংগঠনটোৰ বৰপেটা জিলা সমিতিয়ে ওপজা দিনৰ সৈতে সংগতি ৰাখি ৫৩বিধ গছৰ পুলি ৰোপন কৰে। কাইলৈ শিল্পীগৰাকীৰ ৰহস্যজনক মৃত্যুৰ ন্যায়ৰ দাবীৰে সংগঠনটোৱে বৰপেটাত মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণ কৰিব।

ooooo

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সতীৰ্থ সমাজৰ উদ্যোগত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে ভাৰতৰত্ন ভূপেন হাজৰিকা আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গ সম্পৰ্কীয় ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা আৰু বক্তৃতানুষ্ঠান অনুষ্ঠিত হৈছে। বিশ্ববিদ্যালয়ৰ বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত আলোচনাচক্ৰখন ভূপেন হাজৰিকাৰ ভাতৃ সমৰ হাজৰিকাই উদ্বোধন কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ সৈতে ড০ ভূপেন হাজৰিকাৰ আত্মীয়তাৰ কথা ব্যক্ত কৰে। প্ৰথম দিনা অনুষ্ঠিত দুখনকৈ অনুষ্ঠিত আলোচনা সত্ৰত ৰাজ্যৰ ভিন্ন প্ৰান্তৰ মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, গৱেষক শিক্ষাৰ্থীয়ে আলোচনা পত্ৰ পাঠ কৰা হয়। কাইলৈ ভূপেন হাজৰিকা বিষয়ক বিশিষ্ট শিল্পী কমল কটকীয়ে মূল বক্তৃতা প্ৰদান কৰিব।

০০০০০

ড° ভূপেন হাজৰিকাৰ বছৰযোৰাকৈ জন্ম শতবৰ্ষ অনুষ্ঠান উদযাপন হৈ থকাৰ মাজতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ধলাশদিয়াৰ ভূপেন হাজৰিকা সেঁতুৰ সমীপতে ড° ভূপেন হাজৰিকাৰ এটা বিশাল প্ৰতিমুৰ্তি স্থাপন কৰা হ'ব বুলি প্ৰকাশ কৰিছে। সামাজিক মাধ্যমত মুখ্যমন্ত্ৰী শৰ্মাই জনোৱা অনুসৰি কিংবদন্তি সত্বাগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনাই তেওঁ জন্মস্থানৰ সমীপতে প্ৰতিমুৰ্তিটো স্থাপন কৰা হ'ব বুলি জনাইছে।

০০০০০

ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ চমুকৈ আৰ এছ এছৰ মুৰব্বী ডাঃ মোহন ভাগৱত আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে অসমত উপস্থিত হৈছে। বিয়লি আৰ এছ এছৰ মুৰব্বীগৰাকীয়ে বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান বন্দৰৰ পৰা গৈ সুদৰ্শনালয়ত উপস্থিত হয়। সংঘৰ শতবৰ্ষ পূৰ্ণ হোৱা উপলক্ষে ডাঃ ভাগৱতে সাংগঠনিক বৈঠকত অংশগ্ৰহণ কৰাৰ লগতে কাইলৈ আৰু পৰহিলৈ সুদৰ্শনালয়ত বৌদ্ধিক মত বিনিময় কাৰ্যসূচীতো অংশগ্ৰহণ কৰিব। এই মত বিনিময় অনুষ্ঠানলৈ ৰাজ্যৰ কেইবাগৰাকীও বিশিষ্ট সাহিত্যিক, বুদ্ধিজীৱী তথা কাকত-আলোচনীৰ সম্পাদক আৰু উদ্যোগপতিকো আমন্ত্ৰণ জনোৱা হৈছে। পৰহিলৈ তেওঁ কবি, সাহিত্যিক, সাংবাদিক আৰু উদ্যোগপতিৰ উপস্থিতিত এখন যুৱ সন্মিলনত বক্তৃতা প্ৰদান কৰিব। ২০ নৱেম্বৰত তেওঁ অসমৰ পৰা মণিপুৰ অভিমুখে ৰাওনা হ'ব।

০০০০০

মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ পৰা মূল্যায়ন কৰা প্ৰশাসনীয় দক্ষতা আৰু পাৰদৰ্শিতাৰ তালিকাত শেহতীয়াকৈ ধেমাজী জিলাই প্ৰথম স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। ২০২৫-২৬ বিত্তীয় বৰ্ষত জিলাখনে কৃষি স্বাস্থ্য, গ্ৰামোন্নয়ন, শিক্ষা আৰু সামাজিক কল্যান ক্ষেত্ৰত পাৰদৰ্শিতাৰে ৬৫ দশমিক ৯-৬ শতাংশৰে ফলাফলৰ তালিকাৰ শীৰ্ষ স্থানত আছে। ৬৫ দশমিক ৮-৬ শতাংশৰে শিৱসাগৰ জিলা তালিকাৰ দ্বিতীয় স্থান লাভ কৰিছে। জিলাসমূহৰ ভিতৰত ১৮ টা বিভাগৰ ৫০ টা শিতানত এই মূল্যায়ন কৰা হৈছিল। ৰাজ্য চৰকাৰৰ শিক্ষা, ভৈয়াম উন্নয়ন আৰু পিছপৰা শ্ৰেণী কল্যান বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই কীৰ্তিত্বৰ বাবে ধেমাজী জিলাক অভিনন্দন জনায়। উল্লেখযোগ্য যে প্ৰশাসনীয় দক্ষতা আৰু পাৰদৰ্শিতা প্ৰদৰ্শনৰ তালিকাত বিগত বৰ্ষত ধেমাজী জিলা ১৫ নম্বৰ স্থানত আছিল।

০০০০০

সমাপ্ত